**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-01-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ছুইজাৰলেণ্ডৰ ডাভ'ছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৱেশনৰ চতুৰ্থ দিনা স্বাস্থ্য আৰু স্বাস্থ্য সেৱা সম্পৰ্কীয় গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ জৰিয়তে জনোৱা মতে এই সময়ছোৱাত অসমত বিনিয়োগ কৰিবলৈ বিশ্বৰ কেইবাটাও প্ৰতিষ্ঠানে ইচ্ছা প্ৰকাশ কৰিছে। তেওঁ লগতে কয়, যে অসমে ইয়াৰ পূৰ্বে কেতিয়াও বিশ্ব অৰ্থনৈতিক মঞ্চত অংশগ্ৰহণ কৰা নাছিল। এই মঞ্চত প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰি অসমৰ বহুকেইটা বিষয় অৰ্থনৈতিক মঞ্চত উপস্থাপন কৰা হৈছে বুলিও ড০ শৰ্মাই মন্তব্য কৰে।

*(বাইট ঃ ড০ শৰ্মা)*

মুখ্যমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণ অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে অৰ্থনৈতিক উন্নয়নৰ মাইলৰ খুঁটি হৈ ৰ'ব বুলিও আশা কৰা হৈছে। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ অন্তিমখন বৈঠকত অংশগ্ৰহণ কৰাৰ পিছতে ভাৰতলৈ ঘূৰি আহিব।

০০০০০০০

ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ বিভাগে আজি অভিযান চলাই ভূতনাথ আৰু পামহীৰ পৰা কেইবা কোটি টকাৰ পলিথিনৰ বেগ জব্দ কৰে। জি এছ টি বিভাগৰ অধীক্ষক মনোজ দুৱৰীৰ নেতৃত্বত যোৱা এটা দলে গোপন সূত্ৰৰ পম খেদি এই পলিথিন বেগসমূহ জব্দ কৰিবলৈ সক্ষম হয়। কেইবাখনো ট্ৰাকত বহিঃৰাজ্যৰ পৰা অনা পলিথিনৰ বেগসমূহ ভূতনাথ আৰু পামহীৰ পাঁচটা গুডাম ঘৰত নমাবলৈ লোৱাৰ সময়তে জি এছ টি বিভাগৰ দলটোৱে জব্দ কৰে। কৰ অধীক্ষক মনোজ দুৱৰীয়ে জনোৱা মতে বাবুলাল গুপ্তা নামৰ এজন ব্যৱসায়ীয়ে ৰছিদ নোহোৱাকৈ তিনিখন ট্ৰাকত পলিথিনৰ বেগসমূহ কঢ়িয়াই আনিছিল। জব্দকৃত পলিথিনখিনৰ মূল্য প্ৰায় পাঁচ কোটি টকাতকৈও অধিক হ'ব বুলি কৰ অধীক্ষকগৰাকীয়ে জানিবলৈ দিয়ে। অভিযানৰ অন্তত দলটোৱে ব্যৱসায়ীজনৰ পাঁচোটা গুডাম ঘৰ ছীল কৰে।

০০০০০০০

অসম গণ পৰিষদৰ সভাপতি অতুল বৰাৰ অধ্যক্ষতাত আজি আমবাৰীস্থিত দলৰ মুখ্য কাৰ্য্যালয়ত কেন্দ্ৰীয় সমিতিৰ বৰ্ধিত কাৰ্য্য নিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত আসন্ন বিধানসভা নিৰ্বাচনৰ লগতে দলৰ বিভিন্ন পৰ্য্যায়ৰ সাংগঠনিক বিষয় লৈ আলোচনা কৰা হয়। আজিৰ সভাতে সমাগত নিৰ্বাচন কেন্দ্ৰীক কামকাজসমূহ পৰিচালনা কৰিব বাবে কেন্দ্ৰীয় আৰু জিলা ভিত্তিত কেইবাখনো সমিতি গঠন কৰা হয়। একেদৰে বুথ পৰ্যায়ত দলটোৰ কৰ্মীসকলে কেনেদৰে কামকাজ চলাই আছে সেই সন্দৰ্ভতো বুজ লোৱা হয়। সভাৰ অন্তত সাংবাদিকেৰে হোৱা

কথাবতৰাত অতুল বৰাই কয়, যে দলে তৃণমূল পৰ্যায়ত ভেটি শক্তিশালী কৰাৰ বাবে কাম কৰি গৈছে আৰু এই ভেটি আৰু অধিক শক্তিশালী কৰাৰ বাবে প্ৰচেষ্টা চলাব। বৈঠকত জয়ৰ সম্ভাৱনা থকা সমষ্টিবোৰ চিনাক্ত কৰি অগ্ৰাধিকাৰৰ ভিত্তিত কথাবোৰ বিবেচনা কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে। সভাত দলৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্ত উপস্থিত থাকি দলীয় কামকাজসমূহ ত্বৰান্বিত কৰাৰ বাবে দলীয় কৰ্মীসকলক পূৰ্ণ সক্ৰিয়তাৰে আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়।

০০০০০০০

আগন্তুক গণৰাজ্য দিৱস উপলক্ষে শিৱসাগৰ জিলাত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰা হৈছে। এই সময়ছোৱাত সকলো চৰকাৰী কাৰ্যসূচী, পেৰেড আৰু ৰাজহুৱা সমাৰেশস্থলীৰ পৰা দুই কিলোমিটাৰ পৰিসীমাৰ ভিতৰত ড্ৰোণৰ উৰণ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। ড্ৰোণৰ উপৰিও পেৰাগ্লাইডাৰ, হট এয়াৰ বেলুন আদিৰো উৰণ বা ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে। ২৫ আৰু ২৬ জানুৱাৰীত জিলাখনত এই নিৰ্দেশনা বাহাল থাকিব। অৱশ্যে প্ৰশাসন আৰু চৰকাৰৰ অনুমোদিত সুৰক্ষা সংস্থাসমূহৰ চৰকাৰী কামকাজৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব।

০০০০০০০

ধেমাজি জিলাৰ চিলাপথাৰৰ কাৰেং চাপৰিত অহা ২৬ৰ পৰা ৩০ জানুৱাৰীলৈ দশম মিছিং যুৱ মহোৎসৱ অনুষ্ঠিত হ'ব। এই মহোৎসৱৰ বাবে ৬০০ বিঘা ভূমি সামৰি প্ৰস্তুতি প্ৰায় অন্তিম পৰ্য্যায়ত উপনীত হৈছে। মহোৎসৱৰ অন্তিম দিনাৰ কাৰ্য্যসূচীত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। এই মহোৎসৱত প্ৰায় ১০ হাজাৰ প্ৰতিনিধিয়ে অংশ ল'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

০০০০০০০

২৫ জানুৱাৰীত উদযাপন হ'বলগীয়া হোজাই জিলা দিৱসৰ সৈতে সংগতি ৰাখি আজি ডবকাত ড্ৰাগছ বৰ্জনৰ সম্পৰ্কে এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। হাজী আনফৰা আলী মহাবিদ্যালয়ত অনুষ্ঠিত সভাখনত জিলা আয়ুক্ত বনি ইনাম ছাদাব আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক ৰূপম বৰদলৈ উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক ড্ৰাগছৰ ভয়াৱহতাৰ বিষয়ে অৱগত কৰে। অনুষ্ঠানটোত জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

০০০০০০০

বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানলৈ পৰ্যটকৰ আকৰ্ষণ বৃদ্ধি কৰিবলৈ কাইলৈৰ পৰা ৯ দিনীয়া কাৰ্যসূচীৰে হ'বলগীয়া মানাহ মহোৎসৱৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। মানস ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জৰ প্ৰথম প্ৰৱেশদ্বাৰ প্ৰাংগণত হ'বলগীয়া এই মহোৎসৱত উদ্যানখনৰ কাষৰীয়া অঞ্চলৰ জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি, খাদ্য সম্ভাৰ প্ৰদৰ্শন কৰা হ'ব।

০০০০০০০

**ঃঃ সমাপ্ত ঃঃ**